জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৮৪/২০২২**

<u>অসম-মিজোৰাম সীমা সমস্যা সমাধানৰ বাবে নতুন দিল্লীত মুখ্যমন্ত্ৰী পৰ্যায়ৰ বৈঠক</u>

# অসম-মিজোৰামৰ আলোচনাই অধিক অগ্ৰগতি লাভ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ ছেপ্টেম্বৰ** ঃ অসম আৰু মিজোৰামৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মিজোৰামৰ মুখ্যমন্ত্ৰী জোৰামথাংগাৰ মাজত আজি নতুন দিল্লীৰ অসম হাউছত এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ৯ আগষ্টত আইজলত দুয়োখন ৰাজ্যৰ মাজৰ সীমা সমস্যা সমাধানৰ উদ্দেশ্যেৰে অনুষ্ঠিত হোৱা মন্ত্ৰী পৰ্যায়ৰ আলোচনাৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলৰ সৈতে সীমা সমস্যা সমাধানৰ বাবে আইজলত এই বৈঠক অনুষ্ঠিত হৈছিল।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰী ডº শৰ্মাই কয় যে আজি অনুষ্ঠিত এই বৈঠকত মিজোৰামত অনুষ্ঠিত হৈ যোৱা বৈঠক সম্পৰ্কত পৰ্যালোচনা কৰা হয়। এই ক্ষেত্ৰত যথেষ্ট সন্তোষজনক অগ্ৰগতি লাভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োখন ৰাজ্যৰ সীমা সমস্যা সমাধানৰ দিশত থকা বিভিন্ন বিষয় বিতংভাৱে আলোচনা কৰা হয়। তেওঁ লগতে কয় যে সীমা সমস্যাৰ এক স্থায়ী সমাধানৰ বাবে এখন আঞ্চলিক সমিতি গঠনৰ জৰিয়তে দুয়োখন ৰাজ্যৰ মাজত থকা সীমা সমস্যা সমাধানৰ বিষয়টোক অধিক গতিশীল কৰা হ'ব।

**ছঃনিঃ / পুঃডেঃ**
**২১/০৯/২০২২**